জাহান্নাম হৈছে প্ৰবৃত্তিৰে পৰিবেষ্টিত, আৰু জান্নাত হৈছে দুখ-কষ্টৰে পৰিবেষ্টিত।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ জাহান্নাম হৈছে প্ৰবৃত্তিৰে পৰিবেষ্টিত, আৰু জান্নাত হৈছে দুখ-কষ্টৰে পৰিবেষ্টিত।
[ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, জাহান্নামক মনে বিচৰা আকৰ্ষণীয় হাৰাম কামেৰে আৰু ওৱাজিব কৰ্মক অৱহেলা কৰা আদি বিষয়েৰে পৰিবেষ্টন কৰি ৰখা হৈছে। গতিকে যিয়ে প্ৰবৃত্তিৰ ইচ্ছাৰ অনুসৰণ কৰিব, সি জাহান্নামত প্ৰৱেশ কৰিব। আনহাতে জান্নাতক মনে নিবিচৰা কৰ্মৰে পৰিবেষ্টন কৰি ৰখা হৈছে। যেনে- বিধি-বিধান পালন কৰা, হাৰাম কাম বৰ্জন কৰা আৰু ধৈৰ্য্য ধাৰণ কৰা আদি কামেৰে। যদি কোনোবাই সহ্য কৰে আৰু মনৰ সৈতে সংগ্ৰাম কৰি এইবোৰ কৰ্ম পালন কৰে তেন্তে তেওঁ জান্নাতত প্ৰৱেশ কৰিব।

http://www.sunnah.global/hadeeth/as/show/3702